
# ধৰ্ম্ম সংবাদ



ধলেৰসত্ৰ পুথি ভঁৰাল
ধলৰসত্ৰ, যোৰহাট।

দ্বিজ শুভনাথ

—মূল্য ছয় অনা—

D.H.S.K College Library
Accession No. 7803
Dibrugarh

শ্ৰীকৃষ্ণায় নমঃ।

# ধৰ্ম্ম সংবাদ।

DIBRUGARH H S K N.. COLLEGE
LIBRARY
Call Number 240 / SU8 DHA
Date........

Data Entered

পদ

জয় নমো নাৰায়ণ বৈকুণ্ঠৰ পতি।
ব্ৰহ্মা হৰে চিন্তে যাৰ চৰণ সম্প্ৰতি॥
বসুদেৱ গৃহে পূৰ্ণ কৃষ্ণ অৱতাৰ।
খণ্ডাল অসুৰ মাৰি পৃথিৱীৰ ভাৰ॥
হেন কৃষ্ণ পদে কৰো সহস্ৰ প্ৰণাম।
পাতকিও তৰে যাৰ লৈলে গুণ নাম॥
সৰস্বতী মাতা মোত হুয়ো সুপ্ৰসন্ন।
হৰিত ভকতি গুণ কৰিবো বৰ্ণন॥
কৰযোৰে বোলো শুনা সভাসদ লোক।
অল্পমতি জানি নিন্দা নকৰিবা মোক॥

অশ্বমেধ পৰ্ব্ব ভাৰতৰ মধ্যে সাৰ।
শ্লোক অৰ্থ চাই পদ নিবন্ধিলো তাৰ ॥
শিৱ সিংহ ধৰ্ম্ম ৰাজা গুণে নাৰায়ণ।
কৰন্ত ভকতি সদা কৃষ্ণৰ চৰণ ॥
তাহান আদেশ পাই দ্বিজ শুভনাথে।
ৰচিলো পয়াৰ হৰি পদ ধৰি মাথে ॥
পৰম মহন্ত যুধিষ্ঠিৰ নৃপবৰ।
ছদ্ম ৰূপে ধৰ্ম্মদেৱ আইলা তাৰ ঘৰ ॥
হেন জানি বুদ্ধজন নিন্দা নকৰিবা।
ভজিলে সম্প্ৰতি প্ৰাণ উদ্ধাৰ কৰিবা ॥
পিতা পুত্ৰে দুয়ো জনে ভৈলা একঠাই।
কহিলা সম্বাদ দুয়ো দুনাই দুনাই ॥
শুনা ইটো ভাৰতৰ পুণ্য পদ কথা।
লভিবা মুকুতি সুখ নাহিকে অন্যথা ॥
হেন জানি বুদ্ধ জন শুনা সাৱধানে।
বৈশম্পায়ন বোলে জন্মেজয় বিদ্যমানে ॥
দ্বাপৰ যুগত যেবে হস্তিনা নগৰি।
নিৰ্ম্মিলন্ত মহাজনে বিশ্বকৰ্ম্মা গিৰি ॥
সেহি হস্তিনাত জন্মেজয় নৰপতি।
গুৰুক পুছন্ত কথা কৰিয়া প্ৰণতি ॥
এহি নগৰত মোৰ পিতা মহাশয়।
যিকালত অশ্বমেধ যজ্ঞক কৰয় ॥

সেহি বেলা ধৰ্ম্মৰাজ জগত ঈশ্বৰ।
কিবা ৰূপ ধৰি গৈলা হস্তিনা নগৰ॥
পিতা পুত্ৰ দুই জনে কহিলা সম্বাদ।
শুনিবাক ইচ্ছা প্ৰভু তোমাৰ প্ৰসাদ॥
বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ।
যি কথা পুছিলা শুনিবাক ৰুচিকৰ॥
জগত প্ৰমুখ্য যুধিষ্ঠিৰ ৰাজ ঋষি।
তাহান চৰিত্ৰ কথা শুনিও হৰিষি॥
এক দিনা ইন্দ্ৰ আদি দেৱতাসকল।
স্বৰ্গত পাতিলা সভা মহা কৌতূহল॥
আসিয়া বসিলা ব্ৰহ্মা বিষ্ণু মহাদেৱ।
পৰম আনন্দে দেৱগণে কৰে সেৱ॥
লক্ষ্মী সৰস্বতী আদি দেৱীচয়।
তানো দেৱকন্যাগণ তথাতে আছয়॥
ব্যাস আদি মুনিগণ আসিলা তথাক।
পাদ্যে অৰ্ঘ্যে ইন্দ্ৰে পাছে তুষিলা সবাক॥
দশ দিগ পাল বসিলন্ত থানে থানে।
গন্ধৰ্ব্বসকলে আসি ধৰিলা যোগানে॥
অপেস্বৰা নাচে বিদ্যাধৰে গায়ে গীত।
তেখনে নাৰদ ঋষি ভৈলা উপস্থিত॥
হৰি হৰ বিধতাক কৰিলা বন্দন।
বুলিলা বচন পাছে ব্ৰহ্মাৰ নন্দন॥

ইন্দ্ৰ চন্দ্ৰ আদি যত আছে অন্য দেৱ।
হৰি হৰ ব্ৰহ্মাৰ সদৃশ নাহি কেৱ॥
চন্দ্ৰ সূৰ্য্য বংশ যত যত ৰাজচয়।
যুধিষ্ঠিৰ ৰাজাৰ সদৃশ নাহি কয়॥
হেনয় সদৃশ ৰাজা নাহি ভুপুজিব।
সৰ্ব্বদায় নৃপতিৰ হৌক চিৰঞ্জীৱ॥
সত্যবাদী পৰম ধাৰ্ম্মিক দয়াশীল।
কৃষ্ণৰ চৰণে সদা ভকতি কৰিল॥
পুত্ৰত অধিক কৰি প্ৰজাক পালন্ত।
কি কহিবো যুধিষ্ঠিৰ ৰাজাৰ মহত্ব॥
গম্ভীৰত সাগৰ হুহিকে সমসৰ।
ক্ষমায় ধৰণী যেন হুহি পটন্তৰ॥
কোটি এক সূৰ্য্যসম অখণ্ড প্ৰতাপ।
দুখী ভিক্ষী প্ৰাণীৰ যেন মাৱ বাপ॥
যেন হৰিশ্চন্দ্ৰ পৃথু বলি বিৰোচন।
নল ঘোষ মান্ধাতা প্ৰমুখ্যে ৰাজাগণ॥
ইসবৰ সম ৰাজা যুগে যুগে পাই।
যুধিষ্ঠিৰ সম ৰাজা ত্ৰিভুবনে নাই॥
এহি মতে ৰাজাক প্ৰশংসে মুনিৰাজ।
কৌতুকে শুনন্তে আছে দেৱতা সমাজ॥
নাৰদৰ মুখে শুনি পুত্ৰৰ চৰিত্ৰ।
তেতিক্ষণে ধৰ্ম্মৰাজা ভৈলা আনন্দিত॥

পৰম ধাৰ্ম্মিক মোৰ পুত্ৰ যুধিষ্ঠিৰ।
কিবাৰূপ ধৰি যাইবো পুত্ৰৰ মন্দিৰ॥
চাণ্ডাল স্বৰূপ ধৰি হস্তিনাক যাও।
পুত্ৰৰ বৈভৱ সব জিজ্ঞাসিয়া চাও॥
এহি বুলি ধৰ্ম্মে ধৰি চাণ্ডালৰ বেশ।
হস্তিনাপুৰত আসি ভৈলন্ত প্ৰৱেশ॥
নগৰ দেখিয়া ধৰ্ম্ম আনন্দিত ভৈলা।
প্ৰত্যেক দ্বাৰত ৰহি চাহিবাক লৈলা॥
দেখিলন্ত আনো যত অতি বিতোপন।
পৰম নিৰ্ম্মল সৰোবৰ সুশোভন॥
তপ্ত সুবৰ্ণৰ কান্তি জলে গৃহচয়।
হাত বাট নগৰ সমস্তে ৰত্নময়॥
সুৰভী শীতলজল পুষ্পে জাতিঙ্কাৰ।
বিচিত্ৰ পতাকাধ্বজ প্ৰকাশে বিস্তৰ॥
নানা বাদ্য ভণ্ডে সেনা কৰে হুলস্থুল।
হয় হস্তী ৰথ ৰথী শব্দে ডমৰুল॥
কোটি সূৰ্য্য সম জ্বলে নগৰ প্ৰধান।
মহাযত্নে বিশ্বকৰ্ম্মে কৰিলা নিৰ্ম্মাণ॥
স্থানে স্থানে শোভে দণ্ডছত্ৰ সিংহাসন।
চলে নৃপতিৰ কাছে পাত্ৰ মিত্ৰগণ॥
বস্ত্ৰ অলঙ্কাৰে পুষ্পে শোভে নৰ নাৰী।
মধুগন্ধে ভ্ৰমৰা গুঞ্জৰে শাৰী শাৰী॥

হেনয় হস্তিনাপুৰি ভাৰত বৰিষ ।
পূৰ্ণিমাৰ চন্দ্ৰ যেন শোভে দশোদিশ ॥
পৰম আনন্দে ধৰ্ম্মে চাহিলা বিচাৰি ।
গোলোক বৈকুণ্ঠ হেন বুলিবাক পাৰি ॥
পুত্ৰৰ বৈভৱ দেখি ভৈলা আনন্দিত ।
অনন্তৰে সিংহদ্বাৰে ভৈলা উপস্থিত ॥
সেহি বেলা দ্বাৰত আছন্ত বৃকোদৰ ।
চদ্মৰূপে ধৰ্ম্মে পাছে বুলিলা সত্বৰ ॥
কহিয়োক দ্বাৰী ইটো নগৰ কাহাৰ ।
স্বৰ্গত অধিক বৈকুণ্ঠৰ সমসৰ ॥
কোনবা নৃপতি ইটো নগৰে আছন্ত ।
হেন শুনি ভীমসেনে ক্ৰোধে মাতিলন্ত ॥
কি কাৰণে পোছ অৰে তই কোন জন ।
পৰিহাসে পোছা জানো ইসব বচন ॥
যুধিষ্ঠিৰ নৃপতিৰ হস্তিনা নগৰী ।
ত্ৰৈলোক্যৰ লোকে আক জানে নিষ্ঠ কৰি ॥
দ্বাৰত থাকিয়া তই কেনে নজানস ।
তিনি লোক বিনা কোন লোকত থাকস ॥
তই জানো মোৰ আগে নাজানি পোছস ।
বায়ুৰ পুত্ৰৰ কিছু আটা নতুপাস ॥
যাহাৰ ক্ৰোধত সুৰাসুৰে কৰে ত্ৰাস ।
হেন বায়ু পুত্ৰক কৰস পৰিহাস ॥

মহা দানী মানী যুধিষ্ঠিৰ নৃপবৰ।
ত্ৰৈলোক্যৰ লোকে আক জানে নিৰন্তৰ॥
জানি কি নাজানি পোছ কোথেৰ চাণ্ডাল।
স্বৰূপ কৰিয়া মোত কহা ভালে ভাল॥
মায়াবী চাণ্ডালে পাছে বুলিলা বচন।
ভেৰীৰ শব্দ যায় একৈক যোজন॥
মেঘৰ শব্দ যায় বাইশ যে যোজন।
দানীৰ যশস্যা যাই চৈধ্যয় ভূবন॥
যুধিষ্ঠিৰ নৃপতিক জানে সৰ্ব্বজন।
আমিও জানিয়া পোছো শুনা যি কাৰণ॥
বৃদ্ধ ভৈলো ক্ষুধায়ে তৃষ্ণায়ে প্ৰাণ যায়।
ভিক্ষা মাগি ফুৰো গায়ে শ্ৰুতি জ্ঞান নাই॥
ক্ষুধাতুৰ বৃদ্ধৰ নাহিকে তত্ত্ববোধ।
এতেকে পুছিলো মোক নকৰিবা ক্ৰোধ॥
ভীমে বোলে হোৱা যদি ক্ষুধাতুৰ জন।
তোক জানো মোৰ যেন নোযোৰয় অন্ন॥
অষ্টাধিক শত ব্ৰাহ্মণক প্ৰতি নিতে।
ভুঞ্জায়ে নৃপতি স্বৰ্ণ পাত্ৰে সমন্নিতে॥
আনো যত দুঃখী সুখী ভুঞ্জে অসংখ্যাত।
তই কেন ভুঞ্জিবাক নোখোজ আমাত॥
নৃপতিৰ বাতৰিক পোছ কি কাৰণ।
শুনিয়া চাণ্ডালে পাছে বুলিলা বচন॥

হওঁ ক্ষুধাতুৰ মই অতিথি চাণ্ডাল।
নৃপতিৰ দৰশনে মোৰ হোৱে ভাল॥
ভীমসেন বোলে অৰে শুন অন্ত্য জাতি।
চাৰি জাতিত তই যে বৰ্ণ হীন আতি॥
আমাৰ ৰাজাক কেনে দেখিবাক চাস।
বনৰ বানৰ হুয়া নাৰিকল খাস॥
চাণ্ডালৰ মুখক চাহন্ত যিটো জন।
সম্যকে অশুচি হোৱে জানিবা তেখন॥
যদি বা চাণ্ডাল সমে হয় সম্ভাষণ।
সবস্ত্রে স্নানিলে শুচি হোৱে সিটোজন॥
এতেকেসে তোহোঁক নাচাইব নৃপবৰ।
ভোজন কৰিয়া উঠি সত্বৰে অন্তৰ॥
শুনিয়া চাণ্ডালে পাছে দিলন্ত উত্তৰ।
একে চাল একে মাংস একে কলেৱৰ॥
একে সুখ দুঃখ একে ভোজন গমন।
একে বোল মাত সবে একৈন্দ্রিয় গণ॥
কেন মতে চাৰি জাতি ভৈলা শ্রেষ্ঠতৰ।
হেন শুনি বচন বুলিলা বৃকোদৰ॥
হস্তী ঘোৰা উট কুকুৰ শৃগাল।
সবে এক চতুষ্পদী শুনৰে চাণ্ডাল॥
কেনে নকৰস সবাহাকে একে মান।
কাৰো মাংস খাস কাকো চুইলে কৰ স্নান॥

চাণ্ডালে বোলন্ত ভাল বোলা বৃকোদৰ।
শাস্ত্ৰৰ সন্মতে হয় চাণ্ডালে বিস্তৰ॥
আমিসি চাণ্ডাল জাতি নামত মাতৰ।
বাস্তৱতে নহওঁ মই চাণ্ডাল বৰ্ব্বৰ॥
গুৰু গৌৰৱক নিন্দা কৰে যিটোজন।
তাহাক চাণ্ডাল বুলি কহে মুনিগণ॥
যজ্ঞ বিধ্বংসয় চুৰি কৰে সৰ্ব্বকাল।
এহি চাৰি বিধ জানা কৰ্ম্মত চাণ্ডাল॥
জাতিত চাণ্ডাল যিটো সিটো একবিধ।
অকৰ্ম্মা চাণ্ডাল যিটো সেহিসে নিসিদ্ধ॥
তিনি গোটা সন্ধ্যা যাৰ বৃথাহুয়া যায়।
উপাসনা নকৰে মাত্ৰ ফুৰে ভক্ষ্যচাই॥
পিতৃ দেৱতাক নকৰয় পিণ্ডদান।
এই দুই চাণ্ডাল জানিবা বিদ্যমান॥
বিপ্ৰ হুয়া নকৰয় বেদ ব্যৱহাৰ।
বোলয় চাণ্ডাল তাক জানা সাৰে সাৰ॥
অকাৰণে বনক পোৰয় যিটোজন।
চাণ্ডাল বুলিয়া তাক কহে মুনিগণ॥
নকৰয় দন্ত শুচি পাদ প্ৰক্ষালন।
নকৰয় শালগ্ৰাম দৰ্শণ পৰ্শণ॥
ভুঞ্জয় ভুঞ্জাৱে মাত্ৰ পুত্ৰ পৰিবাৰ।
বোলয় চাণ্ডাল তাক জানা সাৰে সাৰ॥

শূদ্ৰ হুয়া কৰে কপিলীৰ খীৰ পান।
ব্ৰাহ্মণী হৰয় ব্ৰাহ্মণক নাহি মান॥
নাচাৱয় ভাল মন্দ বেদ বিচাৰয়।
সেহিসে চাণ্ডাল দেখিবাক যোগ্য নুই॥
বৃদ্ধকালে পিতৃক মাতৃক নোপোহয়।
অধম চাণ্ডাল সিটো জানিবা নিশ্চয়॥
হয় হস্তী প্ৰেতৰ লৱয় ধেনু দান।
তিনিয়ো সন্ধ্যাত কৰে মৈথুন প্ৰধান॥
অকলে ভুঞ্জয় যত দ্ৰব্য ভালে ভাল।
ইসব প্ৰকাৰে তাক বোলয় চাণ্ডাল॥
প্ৰথমে অষ্টম মাসে গৰ্ভৱতী নাৰী।
আলাপই অন্নক ৰন্ধাৱে নিবিচাৰি॥
গৰ্ভহত্যা পাপে সিটো হোৱন্ত চাণ্ডাল।
আচোক চুইবাক চাইবাক নুহি ভাল॥
পশু মধ্যে গৰ্দ্দভ পক্ষীৰ মধ্যে কাক।
ক্ৰোদ্ধমন্ত সন্ন্যাসী চাণ্ডাল বুলি তাক॥
এহিমতে চাণ্ডাল আছই বহুতৰ।
মই পুনু চাণ্ডাল নহও একে সৰ॥
হেন জানি বাপ তুমি ক্ৰোধ পৰিহৰি।
ৰাজাত জনোৱা গই আমাৰ বাতৰি॥
বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ।
হেন শুনি ভীমসেন ভৈলা নিৰোত্তৰ॥

থমকি ৰহিলা হস্তী অঙ্কুশৰ ঘাৱে।
আথে বেথে গৈলা ভীম নৃপতিৰ ঠাৱে॥
অভ্যন্তৰে আছে যুধিষ্ঠিৰ নৃপবৰ।
নাগ যেন ফোপাই যায় বীৰ বৃকোদৰ॥
প্ৰণাম কৰিয়া যায় ৰাজাত কহন্ত।
এগোটা অতিথি আসি দ্বাৰত আছন্ত॥
হেন মনে জানো কিছু জানে শাস্ত্ৰ তত্ব।
তান পাশে চলা আপোনাৰ অভিমত॥
লজ্জায়ে নকৈলা ভীম সিসৰ কাহিনী।
অনন্তৰে যুধিষ্ঠিৰ বুলিলন্ত বাণী॥
কি কাৰণে আইলা বাপু কহ বৃকোদৰ।
অতিথি পূজাক তই জান নিৰন্তৰ॥
কি কাৰ্য্যে অতিথি আসি আছয় দ্বাৰত।
কোনেবা বুজিব তোমাসাৰ অভিমত॥
হেন শুনি ভীমে হেন বুলিলা বচন।
আসি আছে দ্বাৰত অতিথি একজন॥
পৰম পণ্ডিত তেওঁ শাস্ত্ৰত প্ৰধান।
আমা সমে বিবাদ কৰিলা বহুমান॥
ভঙ্গাইতে নাৰিলো দাদা কৰো নমস্কাৰ।
এতেকে আসিলো মই কিঙ্কৰ তোমাৰ॥
হাসিয়া বোলন্ত যুধিষ্ঠিৰ নৃপবৰ।
কি কহিলা আৰ কি কহিবো বৃকোদৰ॥

বায়ু পুত্ৰ ভীম তই ত্ৰৈলোক্য বিজয়ী।
তোহোক ভঙ্গাইলে যিটো মানুহ নহই॥
কিমত লক্ষণ তাৰ কহা কেন ঠান।
হেন শুনি ভীমসেনে বুলিলা বচন॥
শুনা দাদা লক্ষণ তাহাৰ যেন ঠান।
আতি কৃষ্ণবৰ্ণ কায় কাকৰ সমান॥
ৰক্তবৰ্ণ চক্ষু দুই দেখি নিৰূপম।
লম্বোদৰ মুক্তকেশ পিঙ্গটা বৰণ॥
বাক্যত চাতুৰী যেন পণ্ডিতৰ ঠান।
তযু হস্তে ভুঞ্জিবে খোজই মাগে দান॥
নৃপতি বোলন্ত কৃষ্ণ বিষ্ণুদেৱ হৰি।
চাণ্ডালক দান কৰিবোহো কেন কৰি॥
নতু দেখি শুনি হেন কালে একোমত।
কেন মতে তাহাক কৰিবো গৃহাগত॥
হেন শুনি ভীমসেনে বুলিলা বচন।
ৰাজা হুয়া ভৈলা তুমি দ্বিজৰ লক্ষণ॥
অতিথিক যিবা জনে কৰাৱে ভোজন।
তাৰ জাতি কুল তুমি পোছা কি কাৰণ॥
তোমাক দেখিবে লাগি তাৰ আছে মন।
চলা দ্বাৰে যাওঁ তাক দিয়ো দৰিশন॥
যজ্ঞ আচৰিবে লাগি হুয়া আছে বেলা।
আসা দ্বাৰে চলি যাওঁ নকৰিবা হেলা॥

ভীমৰ বচনে যুধিষ্ঠিৰ চলি গৈলা।
দ্বাৰে গৈয়া অতিথিক দৰশন ভৈলা॥
শুনিও অতিথি আসি আছা কিকাৰণ।
আমাক দেখিবে তোৰ কিবা প্ৰয়োজন॥
মায়াবী চাণ্ডাল বোলে শুনা মহাৰাজ।
তোমাক দেখিলে সিজিবেক সৱ কায॥
নৃপতিসে পিতা মাতা প্ৰজা সমস্তৰ।
অবন্ধুৰ বন্ধু তুমি চক্ষু অন্ধকৰ॥
গুৰু সমস্তৰ গুৰু নৃপতি সকল।
অগতিৰ গতি তুমি দুৰ্ব্বলৰ বল॥
বিদ্যাসে জানিবা বল ব্ৰাহ্মণ সবৰ।
মুৰ্খৰ মৌনসে বল নিৰ্ভয় চোৰৰ॥
শিশুৰ ক্ৰন্দনে বল মৎস্যৰ সুজল।
পক্ষীৰ আবাসে বল বেশ্যাৰ চঞ্চল॥
কৰ্ম্মৰ সত্যেসে বল কহে মুনিগণ।
দৰিদ্ৰৰ বল তুমি পাণ্ডুৰ নন্দন॥
পৰম দৰিদ্ৰ মোৰ ঘৰে কিছু নাই।
ক্ষুধাতুৰ হুয়া আসি আছো তযু ঠাই॥
দৰিদ্ৰ জনক যিটো দিয়ে বহু ধন।
অপূৰ্ব্ব প্ৰতিমা পাইলে কৰয় পূজন॥
কোটি অশ্বমেধ কৰি নপাৰে যি ফল।
গৃহতে বসিয়া তাক পাৱয় সকল॥

আমাৰ বচন তুমি নকৰা অন্যথা।
হৰি হৰ ব্ৰহ্মাৰ বচন ইটো কথা॥
দূৰহন্তে ভ্ৰমি আসি জিৰাৱে পন্থত।
নিশাকালে আসি যদি হোৱে অভ্যাগত॥
মহাযত্নে শুশ্ৰূষা কৰয় যদি তাক।
লভিব অক্ষয় স্বৰ্গ ঈশ্বৰৰ বাক॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সভাসদ।
পৰম পৱিত্ৰ ইটো ভাৰতৰ পদ॥
আত পৰে নাহি গতি জানিবা কলিত।
ভক্তৰ চৰিত্ৰ ইটো কৰ্ণৰ অমৃত॥
হৰিৰ ভক্তৰ নাহি তিলেক অন্তৰ।
আকাশৰ বায়ুৰ যে হেন পটন্তৰ॥
এতেকেসে ভক্তৰ চৰিত্ৰ কথা শুনি।
লক্ষ্মীপতি ভগৱন্ত ফুৰন্ত আপুনি॥
ছদ্মৰূপে হৰি গৈলা নৃপতিৰ ঠান।
হৰি বিনে যুধিষ্ঠিৰ নিচিন্তয় আন॥
দেখা সৰ্ব্বজন নৃপতিৰ মহাভাগ।
গৃহতে বসিয়া ঈশ্বৰক পাই লাগ॥
হেন জানি সৰ্ব্বজনে এৰি আন কাম।
কৃষ্ণৰ চৰণে সদা কৰিয়ো প্ৰণাম॥
এতেকে কৃষ্ণত মাত্ৰ ৰহিৰ ভকতি।
ভক্তিৰ সাধানা হৰি নামেসে সম্প্ৰতি॥

জানি ধৰা ভকতিক আন পৰিহৰি।
পাতেক চাৰোক ডাকি বোলা হৰি হৰি॥

---

## দুলড়ী

পাছে নৃপবৰ দিলন্ত উত্তৰ
চাণ্ডালৰ বাণী শুনি।
শুনিও চাণ্ডাল কহিছাহা ভাল
শাস্ত্ৰক জানা আপুনি॥
মিলিল সংশয় কথা পোছোময়
কহিয়ো আবে নিশ্চয়।
আছে দ্ৰব্য যাৰ অতিথি সেৱাৰ
দিবাক যিটো পাৰয়॥
গৃহে নাহি যাৰ ভোজন সম্ভাৰ
ভিক্ষা কৰি মাত্ৰ খাই।
তাহাৰ গৃহত ভৈলা অভ্যাগত
পূজিব কোন উপাই॥

বোলন্ত চাণ্ডাল　　শুনা মহীপাল
　　স্বৰূপ পুচিলা তুমি।
গৃহস্থৰ ঘৰে　　সদায় স্থুগুছে
　　তৃণ জল অগ্নি ভূমি॥
অতিথি ভুঞ্জাইবে　　যদি অন্ন নাই
　　দিব্ব আনি ফল মূল।
তৃণ জল ভূমি　　দিবে ভক্তি ভাৱে
　　দিবেক পাছে তাম্বুল॥
ইসব যদ্যপি　　গৃহত নথাকে
　　শুনিও তাৰ উপায়।
পৰম সাদৰে　　প্ৰিয় বাক্য বুলি
　　নিজ গৃহে দিয়ে ঠাই॥
গৃহস্থৰ ঘৰে　　সদায় স্থুগুছে
　　তৃণ ভূমি অগ্নি জল।
অতিথি স্থপূজে　　তথাপি যি জন
　　পৰম সিটো নিস্থল॥
শুনা কহোঁ তাৰ　　যিমান পাতেক
　　সিজে অতিথিত হন্তে।
অনেক জন্মৰ　　পুণ্য নষ্ট হোৱে
　　অতিথিক স্থপূজন্তে॥
অতিথি আহিলে　　তাঙ্ক অৱহেলি
　　আপুনি মাত্র ভুঞ্জয়।

অন্ন নুভুঞ্জই গো-মাংস ভুঞ্জই
জলপান সুৰাময়॥
যাৰ গৃহ হন্তে আশা ভঙ্গহুয়া
অতিথি যান্ত বেৰাই।
তেতিক্ষণে তাৰ দেৱ পিতৃগণ
অতিথিৰ সঙ্গে যায়॥
কোটি কোটি তাৰ শ্ৰদ্ধা বলি পূজা
তেখনে হোৱে বিনাশ।
পদে পদে আসি ব্ৰহ্মহত্যা পাপ
লাগে যেন অপ্ৰয়াস॥
কৰে দেৱ পূজা নাহি অস্তি বুদ্ধি
কপট মাত্ৰ দেখায়।
অতিথি নুপূজে নানা যজ্ঞ কৰে
ইসব নিস্ফল যায়॥
বিনা মন্ত্ৰে হোম বিনা তিলে শ্ৰাদ্ধ
ৰজস্বলা কন্যা দান।
ইসব অধৰ্ম্ম সপ্তম কুলক
দহে জানা বিদ্যমান॥
শত্ৰু মিত্ৰ চোৰ চাণ্ডাল অধম
মহাপাপী আত্মাঘাতী।
নকুল মাৰ্জ্জাৰ কুকুৰ শূকৰ
আনো পশু পক্ষী জাতি॥
ইসব যদ্যপি গৃহস্থৰ ঘৰে
হোৱে আসি অভ্যাগত।
বিষ্ণু দেৱ সম সবে পূজ্যগুৰু
কহে মহা মুনি যত॥

নগৰে বা গৃহে　　পুখুৰীৰ পাৰে
　　নদী তীৰে বৃক্ষ তল।
অতিথিক লাগ　　পাই পূজে নৰ
　　পাৰে সৰ্ব্ব তীৰ্থ ফল॥
যত তীৰ্থ ব্ৰত　　যাগ যজ্ঞ দান
　　তপ জপ আদি কৰি।
ইসব পুণ্যক　　গৃহে বসি পাৰে
　　অতিথিক পূজা কৰি॥
হেন শুনি পুনু　　নৃপতি পোছন্ত
　　কহা বাপু অভ্যাগত।
কৈৰ পৰা ধৰ্ম্ম　　ভৈলা উতপন্ন
　　ধৰ্ম্ম বাঢ়ে কেনেমত॥
কোন স্থানে ধৰ্ম্ম　　থাকই সদায়
　　কি হেতু হোৱে বিনাশ।
চাণ্ডাল বদতি　　শুনিও নৃপতি
　　ধৰ্ম্মৰ কহোঁ প্ৰকাশ॥
সত্য হন্তে ধৰ্ম্ম　　উপজয় পুনু
　　দয়াত বাঢ়য় আতি।
ক্ষমাতেসে ধৰ্ম্ম　　সদায় থাকই
　　ক্ৰোধতে বিনাশ যান্তি॥
নৃপতি পোছন্ত　　গৃহত থাকন্তে
　　কোন মিত্ৰ পুৰুষৰ।
পৰ দেশে গৈলে　　হোৱে কোন মিত্ৰ
　　কোন মিত্ৰ আতুৰৰ॥
যি কালত মৰি　　পৰলোক যায়
　　মিত্ৰ হোৱে কোন জনে।

চাৰিয়ো প্ৰশ্নৰ সংশয় ছেদিয়া
কহিওক এতিক্ষণে ॥
সত্ৰত প্ৰসিদ্ধ ইসব কাহিনী
যেন অমৃতৰ সম।
কহে দ্বিজ শুভ নাথ অল্পমতি
ডাকি বোলা ৰাম ৰাম ॥

---

পদ।

বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ।
নৃপতি পুছিলা চাৰি প্ৰশ্নৰ উত্তৰ ॥
মায়াবী চাণ্ডালে শুনি দিলন্ত উত্তৰ।
শুনা সাৱধানে যুধিষ্ঠিৰ নৃপবৰ ॥
গৃহৰ বান্ধৱ পিতৃ মাতৃ পুত্ৰগণ।
ভাৰ্য্যাৰ সমান মিত্ৰ নাহি একোজন ॥
পৰ দেশে বিদ্যা সম মিত্ৰ নাহি কয়।
আপদ কালৰ মিত্ৰ ধনেসে হোৱয় ॥
ধৰ্ম্মেসে কেৱলে মিত্ৰ মৰণ সময়।
চাৰিয়ো প্ৰশ্নৰ মই কহিলো নিৰ্ণয় ॥
পুনৰপি যুধিষ্ঠিৰ বুলিলা বচন।
কেন মতে বেদগণ ভৈলা উতপন ॥
কাহাত থাকয় বেদ বোলয় কাহাক।
হেন শুনি অভ্যাগতে বুলিলন্ত বাক ॥

DIBRUGARH KANOI COLLEGE LIBRARY Accession No. 7805

ব্ৰহ্মা হন্তে বেদগণ ভৈলা উতপন।
সাবিত্ৰী মাৱে তাক কৰিলা পালন॥
ব্ৰহ্মাত উপজে বেদ একেসে কহয়।
বেদৰ ব্ৰহ্মাৰ কিছু ভিন্ন নাহি কয়॥
পুনৰপি চাণ্ডালত নৃপতি পোছয়।
গৃহাশ্ৰম ধৰ্ম্মত কতেক পুণ্য হয়॥
চন্দ্ৰৰ সূৰ্য্যৰ গ্ৰহণাদি পৰ্ব্ব যত।
তাত স্নান দান কৰি পুণ্য পাৱে কত॥
গঙ্গা আদি তীৰ্থস্নানে কিবা পাৱে ফল।
এখনে ছেদিয়ো মোৰ সংশয় সকল॥
মায়াবী চাণ্ডালে পাছে দিলন্ত উত্তৰ।
সামান্য নদীত স্নান আদি নিৰন্তৰ॥
ইসবত স্নানি পুণ্য পাৱে যত যত।
তাৰ লক্ষগুণ পুণ্য চন্দ্ৰ গ্ৰহণত॥
অনাদি সূৰ্য্যৰ যতেক পৰ্ব্বচয়।
দশ লক্ষ পুণ্য তাত জানিবা নিশ্চয়॥
কোটি লক্ষ গুণ পুণ্য তীৰ্থ প্ৰসঙ্গত।
কোটি অযুত লক্ষ গৃহ আশ্ৰমত॥
গৃহাশ্ৰম ধৰ্ম্মসম কোনো ধৰ্ম্ম নাই।
নিয়ম সংযমে মাত্ৰ থাকিব সদায়॥
অতিথিত পোছে কথা নৃপতি তুনাই।
যমুনাত স্নান কৰি কিবা ফল পাই॥

কিবা ফল পাৱে গঙ্গা গোমতীত স্নানে।
কিবা ফল পাৱয় গয়াত পিণ্ডদানে॥
অতিথি বোলন্ত কথা শুনা নৰেশ্বৰ।
গঙ্গাত স্নানিলে পুণ্য বাঢ়ে বহুতৰ॥
যমুনাত স্নানে হোৱে শৰীৰ নিৰ্ম্মল।
গোমতীত স্নানে পাৱে সৰ্ব্বতীৰ্থ ফল॥
শ্ৰাদ্ধ কৰি গয়াত কৰয় পিণ্ডদান।
তুষ্টহৈয়া পিতৃগণে পায় স্বৰ্গস্থান॥
নৃপতি বোলন্ত আৰু কহা অভ্যাগত।
পিতৃ মাতৃ ভাতৃ যাৰ নাহিকে গৃহত॥
নাহিকে ভগিনী যাৰ মিত্ৰ বন্ধু জন।
কেন মতে গৃহ সুখে থাকে সিটোজন॥
অভ্যাগতে বোলে শুনা পাণ্ডুৰ নন্দন।
মহা বুদ্ধিমন্ত সিটো জ্ঞান পৰায়ণ॥
পৰম দয়ালু সিটো লোক কুটুম্বিতা।
জ্ঞান পৰায়ণ জ্ঞানে ভৈলা তাৰ পিতা॥
বুদ্ধিমন্ত তাহাৰ বুদ্ধিয়ে ভৈলা মাৱ।
মাতৃত অধিক জ্ঞান বুদ্ধিৰ প্ৰভাৱ॥
কুটুম্বিতা গুণে তাৰ সুহৃদ সোদৰ।
দয়ায়ে ভগিনী তাৰ জানা নৰেশ্বৰ॥
কি কাৰণে সিটোজনে পাইবে মহাদুখ।
যৈকে যাই তৈতে তাৰ মিলে মহাসুখ॥

নৃপতি বোলন্ত আৰু মিলিল সংশয়।
কিবা কৰ্ম্ম কৰি লোক সুখী দুখী হয়॥
পুনু পুনু মাতৃৰ গৰ্ভত লয়ে বাস।
নতু বাজহন্তে কেন হোৱন্ত বিনাশ॥
কতোহো জীৱন্তে বাজ হোৱে গৰ্ভহন্তে।
সম্যকে মৰয় স্তন পিবে নপাৱন্তে॥
সত্বৰে কহিয়ো মোত ইহাৰ কাৰণ।
শুনিয়া চাণ্ডাল পাছে বুলিলা বচন॥
দেৱক নুপূজে আপুনিসে ভোগ কৰে।
জন্মান্তৰে মহা দুখী হোৱে সেহি নৰে॥
অন্নদান কৰে যিটো পৰম আক্ৰোসে।
পুনু পুনু গৰ্ভত পচয় সেহি দোষে॥
পৰ নাৰী হৰে নৰে হৰে পৰধন।
পুনঃ পুনঃ জন্ম মৃত্যু হোৱে সিকাৰণ॥
আৰ্জ্জিত ধনক যিটো নিয়ে চুৰি কৰি।
স্তন পিবে নপাৱয় আগে যায় মৰি॥
যিটো জনে ইষ্টদেৱ পূজে ভক্তি ভাৱে।
নকৰে অন্যায় সদা ধৰ্ম্মপন্থ চাৱে॥
দেশ কাল চাই সদা কৰে অন্নদান।
সিকাৰণে উত্তম স্বৰ্গত হোৱে স্থান॥
হৱে চিৰঞ্জীৱ সিটো পাৱে মহাসুখ।
ইহ পৰলোক ভাৰ নাহি কিছু দুখ॥

যুধিষ্ঠিৰ বোলে কথা কহিয়ো প্ৰত্যেক।
হোৱয় আকাশ খান আঙ্গুল কতেক॥
গণিয়া কহিয়ো কত আকাশৰ তাৰা।
কত হস্ত পৃথিবী বৃষ্টিৰ কত ধাৰা॥
চাণ্ডালে বোলয় শুনা নৃপতি প্ৰমাণ।
হোৱয় আকাশ চাৰি আঙ্গুল প্ৰমাণ॥
দুই গোট তাৰা মাত্ৰ আকাশ মণ্ডলে।
বৰিষন্ত মেঘ দশ ধাৰা বৃষ্টি জলে॥
ডেৰ হস্ত পৃথিবী জানিবা কুন্তিসুত
ইসব কথাৰ মই কহিলো প্ৰস্তুত॥
বুজিবা আকাশ চাৰি আঙ্গুল কপাল।
দুই গোটা নেত্ৰ তাৰ দেখিবাক ভাল॥
দুই স্তনে মেঘখীৰ বহে দশধাৰ।
ডেৰ হাত ভূমি কৰে দেহক সংহাৰ॥
মুখে অল্প হাসি পুনু নৃপতি পোছন্ত।
আৰ এক কথা পোছো তোমাৰ আগত॥
পিতৃ মাতৃ আছে দুই কুমাৰ কালত।
সিবেলাত আছিলাহা কাহাৰ গৰ্ভত॥
অতিথি বোলন্ত শুনা ধৰ্ম্মৰ তনয়।
কাষ্ঠৰ মধ্যত যেন অগনি থাকয়॥
দুগ্ধৰ মধ্যত যেন থাকে ঘৃত যত।
তিলৰ মধ্যত তৈল থাকে যেন মত॥

আছে মহা জ্ঞান যেন দেহৰ মধ্যত।
সেহি মতে আছিলোহোঁ পিতৃৰ গৰ্ভত॥
যিকালত পিতৃ মোৰ ভৈগৈলা যুবক।
বিহাইলা মাতৃক পাছে কামে হুয়া মত্ত॥
পয়স্বনী ধেনু যেন পিতৃ মহাভাগ।
মদন গোৱালে পাছে তাঙ্ক পাই লাগ॥
মাতৃৰ লাৱণ্য মোহে পাৱে জৰী বান্ধি
অনায়াসে দুহিবন্ত দৈবও নবান্ধি॥
দুগ্ধ যেন থৈলা নিয়া কলসে ভৰাই।
সেহিমতে মাতৃৰ গৰ্ভত লৈলো ঠাই॥
পূৰ্ণ দশ মাসে বাজ ভৈলো গৰ্ভহন্তে।
উপজিলা ঘৃত যেন দুগ্ধক মথন্তে॥
কাষ্ঠ ঘৰিষণে যেন অগনি বজাইল।
তেলিয়াৰ জাতে যেন তৈলক নমাইলা॥
কূৰ্ম্মৰূপে যেন মতে সাগৰ মথিলা।
তাহাৰ মধ্যত যেন অমৃত উঠিলা॥
সেহিমতে উপজিলা আমাৰ শৰীৰ।
আৰু প্ৰশ্ন কৰা কিছু কহোঁ যুধিষ্ঠিৰ॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
হেন শুনি যুধিষ্ঠিৰ ভৈলন্ত বিস্ময়॥
পৰম পণ্ডিত কিনো অতিথি চাণ্ডাল।
নতু দেখি শুনি হেন জন একোকাল॥

মিলিলা সম্ভ্রম আসি অতিথি পূজন্তে।
যোড়ৰস পঞ্চামৃত আনাইলা ত্বৰিতে॥
অতিথিক বোলে বাপু কৰিয়ো ভোজন।
বেলি হোৱে যজ্ঞস্থানে যাওঁ এতিক্ষণ॥
বাটচাই আছে মোক সবে দ্বিজগণ।
হেন শুনি অভ্যাগতে বুলিলা বচন॥
নুভূঞ্জিবো নুভুঞ্জিবো ৰাজা তব অন্ন।
একোকালে ৰাজাঘৰে নকৰো ভোজন॥
কেনে নুভুঞ্জস অৰে চাণ্ডাল বৰ্ব্বৰ।
বিনাদোষে মোক আজি অন্যায় নকৰ॥
অষ্টাধিক চতুৰ্থ যে বিংশতি হাজাৰ।
মুনিগণে ভুঞ্জে নিতে গৃহত আমাৰ॥
সুবৰ্ণৰ পাত্ৰে মই ভুঞ্জাওঁ সাদৰে।
তই কেনে ভোজন নকৰ মোৰ ঘৰে॥
হেন শুনি অভ্যাগতে বুলিলা বচন।
মায়ায়ে মোহিত ত্ৰৈলোক্যৰ প্ৰাণীগণ॥
সিকাৰনে মোহ হৈয়া লোকগণ যত।
ভোজন কৰয় নিতে তোমাৰ গৃহত॥
যিতো জনে ৰাজাঘৰে কৰয় ভোজন।
শুনা সাৱধানে ৰাজা ইহাৰ কাৰণ।
সপ্তদ্বীপ পৃথিবীৰ লোক যত যত।
প্ৰতিদিনে পাপ তাৰ সিজে অপৰ্য্যন্ত॥

তাসম্বাৰ ধন তুমি লোৱা মহাবায়।
সিকাৰণে তোমাৰ পাপৰ সীমা নাই ॥
পৰ্ব্বতৰ জল যেন সমুদ্ৰত পৰে।
প্ৰজাৰ পাতক ধন যাই ৰাজাঘৰে ॥
দুৰ্জ্জন সকলে যদি অধৰ্ম্ম কৰয়।
সিটো পাপে নৃপতিক অৱশ্যে পাৱয় ॥
সাধুসবে ধৰ্ম্ম আচৰয় ঠায়ে ঠায়ে।
ছয় ভাগ কৰি ৰাজা এক ভাগ পাৱে ॥
পশু মধ্যে অধম কুকুৰ বুলি যাক।
দশ কুকুৰৰ সম কুমাৰৰ চাক ॥
দশ খান কুমাৰৰ চাকৰ সমান।
হৱে অপবিত্ৰ ৰজকৰ পাটখান ॥
দশ খান পাটৰ সমান বেশ্যাজাতি।
দশ বেশ্যা সমান নৃপতি হৱে আতি ॥
এতেকেসে তযু ঘৰে নকৰো ভোজন।
কেনে পাপী হৈবো মই অন্নৰ কাৰণ ॥
যদি বোলা ইটো কথা তুমি আছা জানি।
মুনিগণে ভুঞ্জে জানো ইহাক নজানি ॥
ইতৰ জাতিয়ে আৰু ব্ৰাহ্মণ সকল।
কিন্তু শুচি হোৱে সিটো মহা মন্ত্ৰবল ॥
যদি মন্ত্ৰে হৱে শুচি ব্ৰাহ্মণ সকল।
কুঞ্জৰৰ শৌচ যেন হুনাই বান্ধে মল ॥

বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ।
হেন শুনি মৌন ভৈলা কুন্তীৰ তনয়॥
যজ্ঞ শালা মাজে যত আছিলা ব্ৰাহ্মণ।
চাণ্ডালৰ বাক্য শুনি গৈলা তেতিক্ষণ॥
যুধিষ্ঠিৰ নৃপতিৰ যজ্ঞ ছন্ন কৰি।
ভয়তে ব্ৰাহ্মণগণ গৈলা ঘৰাঘৰি॥
যজ্ঞ শালে নৃপতি চলিলা তেতিক্ষণ।
লগতে চলিলা আৰু পাত্ৰ মন্ত্ৰীগণ॥
দেখে যজ্ঞশালত নাহিকে দ্বিজগণ।
ক্ৰোধে যুধিষ্ঠিৰে পাছে বুলিলা তেখন॥
কিনো আজি আমাৰ ছুৰ্দ্দিন আসি ভৈলা।
মোৰ যজ্ঞ এৰি দ্বিজগণ পলাই গৈলা॥
নিত্য শ্ৰাদ্ধ কৰিতে নাপালো এতিক্ষণ।
ইথানত ব্ৰাহ্মণ নাহিকে একোজন॥
কিয় মোৰ বিধাতা মিলাইলা বিসঙ্গতি।
কেন মতে যজ্ঞ সাঙ্গ কৰিবো সম্প্ৰতি॥
আৰম্ভিলো যজ্ঞ মই দ্বাদশ বৎসৰ।
আজি আসি ভৈলা পূৰ্ণাহুতিৰ বাসৰ॥
পূৰ্ণাহুতি নিদিলে দেৱৰ হৈবো ঋণী।
পাপীষ্ঠ চাণ্ডালে আসি পাতিলে বিঘিনি॥
বাৰ বছৰীয়া যজ্ঞ ভৈলন্ত বিফল।
মোক অপমানে গৈলা ব্ৰাহ্মণসকল॥

পাপীষ্ঠক সম্ভাষা কৰন্তে গৈলা বেলি ।
সিকাৰণে দ্বিজগণ গৈলা অৱহেলি ॥
পাপীষ্ঠ চাণ্ডালে বুলিলেক নিন্দাবাক ।
সিকাৰণে দ্বিজগৈলা ত্যাজিয়া আমাক ॥
মায়াবী চাণ্ডালে পাছে বুলিলা বচন ।
শুনা শুনা ৰাজা কুৰু কুলৰ নন্দন ॥
অকাৰণে দোষ তুমি দি আছা আমাক ।
বিচাৰি চাহিলে দোষ কেৱলে তোমাত ॥
স্নান যজ্ঞ কৰা ইটো মাতঙ্গৰ কৰ্ম্ম ।
অধৰ্ম্ম আচৰি আগে পাছে কৰা ধৰ্ম্ম ॥
যজ্ঞে কি কৰিতে পাৰে সংসাৰ খণ্ডিত ।
ভাবিচোৱা ৰাজা তুমি আপুনি পণ্ডিত ॥
তযুঘৰে আসি মই ভৈলো অভ্যাগত ।
নহওঁ পাপীষ্ঠ মই ইমান কৰ্ম্মত ॥
পাপীষ্ঠ লক্ষণ ৰাজা শুনিয়ো সাক্ষাত ।
সত্যে সত্যে কহোঁ দোষ নিদিবা আমাক ॥
সংক্রান্তিক আদি কৰি মহা পৰ্ব্বচয় ।
নিৰামিষ সামিষক জপাই ভুঞ্জয় ॥
শ্ৰাৱণ কাৰ্ত্তিক মাঘ বৈশাখ মাসৰ ।
পূৰ্ণিমা তিথিত স্নান দান নিৰন্তৰ ॥
যিজনে নকৰে জানা সেহিসে পাপীষ্ঠ ।
আমি হেন পাপী নহও কদাচিত ॥

তোমাতেসে আছে বেদ শাস্ত্র তুমি জানা।
হয়কি নহয় ৰাজা হেন মনে মানা॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
হেন শুনি মৌন ভৈল্য কুন্তীৰ তনয়॥
ধ্যানে যুধিষ্ঠিৰ ৰাজা চাহিলা আত্মাত।
হুহিকে চাণ্ডাল ইটো জানিলা সাক্ষাত॥
ছদ্মৰূপে পিতৃ আইলা গৃহত আমাৰ।
মিলিলা সম্ভ্রম হৰিষৰ নাহি পাৰ॥
পৰম আনন্দে ৰাজা বুলিলা বচন।
হুহিকে চাণ্ডাল ইটো জানিলো এখন॥
তোমাকেসে চিন্তি আছো মই বাৰম্বাৰ।
সিহেতু আহিলা তুমি গৃহত আমাৰ॥
বৃথাভৈল যজ্ঞ তাত নাহি কষ্টমন।
সাফল জনম মোৰ তযু দৰশন॥
দেৱহুয়া মোৰ গৃহে ভৈলা অভ্যাগত।
পূজিবাক লাগে অতি তযু চৰণত॥
যজ্ঞ কৰি আজিহে লভিলো শুভফল।
তযু দৰশনে আসি মিলিলা সকল॥
কিবা নাৰায়ণ তুমি জগত ঈশ্বৰ।
চাণ্ডালৰ ৰূপধৰি আইলা মোৰ ঘৰ॥
তুমি ইন্দ্র চন্দ্র প্রভু কিবা ব্রহ্মা হৰ।
কিবা ধৰ্ম্ম পিতৃ মোৰ কহিয়ো সত্বৰ॥

স্বৰূপ কৰিয়া কহা নভাণ্ডিবা মোক।
আপোনাৰ নিজ ৰূপ এবে ধৰিয়োক॥
বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ।
পুত্ৰৰ চৰিত্ৰ শুনি হৰিষ বিস্তৰ॥
নিজৰূপ ধৰি পাছে ধৰ্ম্মে বুলিলন্ত।
সাধু সাধু মোৰ পুত্ৰ নৃপতি মহন্ত॥
সত্যে সত্যে সত্যে বাপু কহো সাৰে সাৰ।
স্বৰূপত হওঁ মই জনক তোমাৰ॥
চাণ্ডাল স্বৰূপে আইলো নধৰিবা দোষ।
বিস্তৰ বুলিলো বাপু নকৰিবা ৰোষ॥
হেন শুনি আথে বেথে পাণ্ডুৰ নন্দন।
পিতৃৰ চৰণে পৰি কৰিলা বন্দন॥
বৃকোদৰ নকুল অৰ্জ্জুন সহদেৱ।
ধৰ্ম্মৰ চৰণে পৰি কৰিলন্ত সেৱ॥
নমস্কাৰ কৰি ৰাজা বুলিলা বচন।
আজিসে ভৈলেক মোৰ সাফল জীৱন॥
আজিসে সাফল ৰাজ্য যজ্ঞ তপদান।
দেৱতাৰ পূজ্য পিতৃ আইলা মোৰ থান।
ধন্য ধন্য জন্ম মোৰ তযু দৰশন।
সৰ্ব্ব পাপ হন্তে মোৰ কৰিলা ৰক্ষণ॥
এহিমতে অনেক বুলিলা স্তুতি বাণী।
পাদ্য অৰ্ঘে ধৰ্ম্মক পূজিলা মহামানী॥

তুষ্টহুয়া ধৰ্ম্মদেৱ হৰষিত মনে।
পুত্ৰক সাবটি ধৰিলন্ত তেতিক্ষণে॥
আশ্বাস বচনে পাছে বুলিলা বচন।
দেওঁ হাক বাপু তুমি শুনা সাৱধান॥
দুষ্টক দণ্ডিয়া কৰা সন্তক পালন।
অন্যায় কৰিয়া নহৰিবা পৰধন॥
কাম ক্ৰোধ লোভ মোহ কৰা পৰিহাৰ।
মুক্তিৰ লক্ষণ জানা ইসব প্ৰকাৰ॥
দুখী ভুখী প্ৰাণীক কৰিবা প্ৰতিপাল।
ঈশ্বৰে ৰাখিব তোমাক সৰ্ব্বকাল॥
ৰাজনীতি ধৰ্ম্ম তুমি সকলে জানস।
স্বৰ্গলোকে ৰখানয় তোমাৰ যশক॥
নাৰদৰ মুখে শুনি তোমাৰ চৰিত।
তিল মাত্ৰ নপাৰিলো থাকিবে স্বৰ্গত॥
চাণ্ডাল স্বৰূপ ধৰি হস্তিনাক আইলো।
লোকৰ মুখত তযু শুভ বাৰ্ত্তা পাইলো॥
হস্তিনাপুৰক আসি পশিলো ত্বৰিত।
তোমাক দেখিয়া মোৰ শান্ত ভৈলা চিত্ত॥
পিতা পুত্ৰে দুই জন ভৈলো এক স্থান।
কৰিলো মেলানি পুত্ৰ থাকিও কল্যাণ॥
এহি বুলি ধৰ্ম্ম চলি গৈলা নিজ স্থান।
ধৰ্ম্মৰ সম্বাদ সমাপতি এহিমান॥

বৈশম্পায়ন বদতি শুনিও জন্মেজয়।
ধৰ্ম্মেসে পৰম বস্তু জানিবা নিশ্চয়॥
ধৰ্ম্মেসে কৰয় সমস্তৰে শত্রুক্ষয়।
যিটো ধৰ্ম্ম চিন্তে তাৰ হৱে জয় জয়॥
যিবা পঢ়ে যিবা শুনে ধৰ্ম্মৰ সংবাদ।
শ্রৱণে গুচিবে পাপ মিলিবে সম্পদ॥
কৃষ্ণৰ কিঙ্কৰে কহে দ্বিজ শুভনাথে।
হৰি পদ পঙ্কজক ধৰি নিজ মাথে॥
শুনা বৃদ্ধজন দোষ নিদিবাহা আৰ।
মতি অনুসাৰে মই ৰচিলো অপাৰ॥
বঢ়া টুটা দোষ যদি পদত আছয়।
অল্পমতি জানি তাক ক্ষেমাক যুৱায়॥
হৰি ভকতৰ গুণ শুনা কর্ণ ভৰি।
তপ জপ তীর্থ স্নান নোহে আক সৰি॥
যতেক সংসাৰ দেখা যেন ছাইৰ জৰী।
মায়া মোহে মৰে মিছা মোৰ মোৰ কৰি॥
মোৰ ধন মোৰ বস্তু মোৰ নিজ দেহ।
মোৰ জন মোৰ পুত্র মোৰ বড় গেহ॥
এহি মতে ভাবে যেবে জানা নৰাধম।
হৰিক চিন্তয় যিটো সেহিসে উত্তম॥
এতেকে চিন্তিয়ো যাতে হৱে মোক্ষকাম॥
খণ্ডোক আপদ ডাকি বোলা ৰাম ৰাম॥

অন্ত।

S
LIBRARY
Accession No.
7805

## জাননী—

ধৰ্ম্ম সমন্ধীয় আৰু বিবিধ সাহিত্য প্ৰকাশক হিছাবে সকলো ধৰ্ম্ম সমন্ধীয় কিতাপ—যেনে কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী, ৰামায়ণ, মহাভাৰত আদি আৰু সীতা হৰণ ৰাম বনবাস, ধ্ৰুব চৰিত্ৰ আদি আখ্যানসমূহ আমাৰ ওচৰতেইহে আটাইতকৈ সুবিধা দৰত পাব।

*তলৰ ঠিকনাত*
*অৰ্ডাৰ পঠাবৰ কাৰণে অনুৰোধ জনালো।*

ধলৰসত্ৰ পুথি ভঁৰাল
*ধলৰসত্ৰ, যোৰহাট।*

Printed at the Jadoomani Chapakhana, Golaghat.